**Regional News Unit**

**AKASHVANI, Guwahati**

**0000000000**

**Date : 28-07-2024**

**Time : 1845 Hrs**

***Assamese Evening Bulletin***

\- - - - - - - - - - - - - - - - - - - -

***Evening***

১। অসমৰ ঐতিহাসিক চৰাইদেউ মৈদাম ইউনেস্কোৰ বিশ্ব ঐতিহ্য ক্ষেত্ৰ হিচাপে স্বীকৃত হোৱাত গৌৰৱ প্ৰকাশ কৰি মৈদাম ক্ষেত্ৰক অসম ভ্ৰমণৰ অন্যতম আকৰ্ষণ হিচাপে অন্তৰ্ভুক্ত কৰিবলৈ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ আহ্বান।

২। ছিকিমৰ ৰাজ্যপাল লক্ষ্মণপ্ৰসাদ আচাৰ্যক অসমৰ নতুন ৰাজ্যপাল হিচাপে নিযুক্তি। অসমৰ প্ৰাক্তন সাংসদ ৰমেন ডেকা ছত্তিশগড়ৰ নতুন ৰাজ্যপাল।

৩। দেশভক্ত তৰুণৰাম ফুকনৰ ৮৫ সংখ্যক মৃত্যু বাৰ্ষিকীত ৰাজ্যজুৰি দেশভক্তি দিৱস পালন।

৪। পেৰিছ অলিম্পিকত ভাৰতৰ মনু ভাকৰৰ মহিলাৰ দহ মিটাৰ এয়াৰ পিষ্টল শাখাত ব্ৰঞ্জৰ পদক লাভেৰে ভাৰতৰ পদক তালিকাত অন্তৰ্ভুক্ত। *আৰু*

৫। এছিয়া কাপ টি টুৱেণ্টিৰ ফাইনেলত ভাৰতৰ বিৰুদ্ধে শ্ৰীলংকাৰ ৮ উইকেটত জয়লাভ।

ooooo

অসমৰ ঐতিহাসিক চৰাইদেউ মৈদাম ইউনেস্কোৰ বিশ্ব ঐতিহ্য ক্ষেত্ৰ হিচাপে স্বীকৃত হোৱাত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে গৌৰৱ প্ৰকাশ কৰে। আকাশবাণীযোগে প্ৰচাৰিত মন কী বাত অনুষ্ঠানত আজি প্ৰধানমন্ত্ৰীয়ে কয় যে, চৰাইদেউ মৈদাম ভাৰতৰ ৪৩ সংখ্যক বিশ্ব ঐতিহ্য ক্ষেত্ৰ আৰু উত্তৰ পূৰ্বাঞ্চলৰ প্ৰথমটো সাংস্কৃতিক বিশ্ব ঐতিহ্য ক্ষেত্ৰ হিচাপে চিহ্নিত হৈছে। এই মৈদামসমূহৰ গুৰুত্ব সন্দৰ্ভত বাখ্যা কৰি শ্ৰীমোদীয়ে কয় যে, আহোম সাম্ৰাজ্যৰ প্ৰথম ৰাজধানী চৰাইদেউত আহোম ৰাজবংশৰ গণ্য মান্য ব্যক্তিসকলৰ মৃতদেহ আৰু মূল্যবান সা-সম্পত্তিসমূহৰ সমাধি তথা সংৰক্ষণ ক্ষেত্ৰ। মন কী বাতৰ আজিৰ সম্প্ৰচাৰত প্ৰধানমন্ত্ৰীয়ে ত্ৰয়োদশ শতিকাৰ পৰা ১৯ শতিকাৰ আৰম্ভণিলৈকে বৰ্তি থকা আহোম সাম্ৰাজ্যৰ ভূয়সী প্ৰশংসা কৰে। তেওঁ কয় যে আহোম শাসকসকলৰ প্ৰশাসনীয় নীতি আৰু গণসম্পৰ্ক ইমানেই শক্তিশালী আছিল যে ই সুদীৰ্ঘ দিনৰ বাবে শাসনতন্ত্ৰটোক শক্তিশালী কৰি ৰাখিছিল। শ্ৰীমোদীয়ে নিজৰ বক্তব্যত মহান আহোম বীৰ যোদ্ধা লাচিত বৰফুকনৰ এটা বিশাল প্ৰতিমূৰ্তি চলিত বছৰৰ ৯ মাৰ্চত উদ্বোধন কৰাৰ মূহুৰ্তটোও স্মৰণ কৰে। তেওঁ কয় যে, লাচিত বৰফুকনৰ মৈদামত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰি তেওঁ প্ৰশান্তি অনুভৱ কৰিছিল। চৰাইদেউ মৈদামক অসম ভ্ৰমণৰ অন্যতম আকৰ্ষণ হিচাপে অন্তৰ্ভুক্ত কৰিবলৈ প্ৰধানমন্ত্ৰীয়ে পৰ্যটকসকলক আহ্বান জনায়।

শ্ৰীমোদীয়ে উল্লেখ কৰে যে, এখন দেশ নিজৰ সংস্কৃতিৰ গৌৰৱবোধৰ জৰিয়তেহে প্ৰগতিৰ পথত আগবাঢ়ি যাব পাৰে। এই প্ৰসংগত মেড ইন ইণ্ডিয়াৰ অধীনত গ্ৰহণ কৰা বিভিন্ন প্ৰকল্পৰ বিষয়ত আলোকপাত কৰি তেওঁ ভাৰতৰ ৰাজহুৱা কলাসমূহক প্ৰতিফলিত কৰা পাৰি প্ৰকল্পৰ বিষয়েও উল্লেখ কৰে। প্ৰধানমন্ত্ৰীয়ে পথৰ দাঁতি, দেৱাল আদিত চিত্ৰাংকন কৰা ৰাজহুৱা কলা শিল্পীসকলৰ ভূয়সী প্ৰশংসা কৰে।

দেশৰ হস্ততাঁত বস্ত্ৰশিল্পৰ বিষয়ে বিশেষভাৱে উল্লেখ কৰি প্ৰধানমন্ত্ৰীয়ে ৭ আগষ্টত ৰাষ্ট্ৰীয় হস্ততাঁত দিৱস উদ্‌যাপন কৰা হ'ব বুলি মন্তব্য কৰে। প্ৰধানমন্ত্ৰীয়ে দেশৰ ভিন্ন অংশৰ শিল্পীসকলে হস্ততাঁতক জনপ্ৰিয় কৰাত যোগোৱা অৱদানৰ বাবে সন্তোষ প্ৰকাশ কৰে। শ্ৰীমোদীয়ে দেশৰ জনসাধাৰণক খাদী আৰু থলুৱা হস্ততাঁত শিল্পক আঁকোৱালি লবলৈ আহ্বান জনায়।

মন কী বাতৰ এই খণ্ডত প্ৰধানমন্ত্ৰীয়ে ফ্ৰান্সৰ পেৰিছত আৰম্ভ হোৱা অলিম্পিক গেমছৰ প্ৰসংগও উত্থাপন কৰে। তেওঁ ভাৰতীয় খেলুৱৈসকলক উৎসাহিত কৰিবলৈ দেশবাসীক আহ্বান জনায়। শ্ৰীমোদীয়ে লগতে অলপতে হৈ যোৱা আন্তৰ্জাতিক গণিত অলিম্পিয়াদত ভাৰতীয় শিক্ষাৰ্থীসকলে সুন্দৰ প্ৰদৰ্শনৰ বিষয়টোও মন কী বাতত উত্থাপন কৰে। এই অলিম্পিয়াদত ভাৰতীয় দলটোৱে ৪ টা সোণৰ আৰু এটা ৰূপৰ পদক লাভ কৰি শীৰ্ষ ৫ টা দলৰ ভিতৰত স্থান লাভ কৰে। আন্তৰ্জাতিক গণিত অলিম্পিয়াদত এইবাৰ এশ খনৰো অধিক দেশৰ শিক্ষাৰ্থীয়ে অংশগ্ৰহণ কৰিছিল। প্ৰধানমন্ত্ৰীয়ে এই অলিম্পিয়াদত অংশগ্ৰহণেৰে দেশলৈ গৌৰৱ কঢ়িয়াই অনা শিক্ষাৰ্থীসকল ক্ৰমে পুণেৰ আদিত্য ভেংকত গণেশ আৰু সিদ্ধাৰ্থ চোপ্ৰা, দিল্লীৰ অৰ্জুন গুপ্তা, গ্ৰেটাৰ নইডাৰ কানৱ টালোৱাৰ, মুম্বাইৰ ৰুছিল মাথুৰ, গুৱাহাটীৰ আনন্দ ভাদুৰীৰ নাম উল্লেখ কৰে। তেওঁ এই অলিম্পিয়াদত পদকপ্ৰাপ্তসকলৰ সৈতে তেওঁলোকৰ অভিজ্ঞতাৰ সন্দৰ্ভত মত বিনিময় কৰে।

ড্ৰাগছে সৃষ্টি কৰা ভয়াবহ প্ৰত্যাহ্বানৰ বিষয়ে আলোচনা কৰি প্ৰধানমন্ত্ৰীয়ে ড্ৰাগছৰ বিৰুদ্ধে যুঁজ দিয়াৰ বাবে চৰকাৰে গ্ৰহণ কৰা মানস শীৰ্ষক বিশেষ কাৰ্যসূচীৰ বিষয়ে উল্লেখ কৰে। মানসৰ হেল্পলাইন আৰু পোৰ্টেল অলপতে মুকলি কৰা হৈছে। লগতে টোল ফ্ৰী নম্বৰ ১৯৩৩ ও প্ৰকাশ কৰা হৈছে। শ্ৰীমোদীয়ে কয় যে, পুনৰ সংস্থাপনৰ বিষয়ে কোনো উপদেশ বা তথ্য বিচাৰি যিকোনো লোকে এই টোল ফ্ৰি নম্বৰত ফোন কৰিব পাৰিব।

কাইলৈ সমগ্ৰ বিশ্বতে আন্তৰ্জাতিক ব্যাঘ্ৰ দিৱস উদ্যাপন কৰা হ'ব। তেওঁ দেশৰ ভিন্ন প্ৰান্তত বাঘ আৰু মানুহৰ মাজত বাঢ়ি অহা সংঘাতত উদ্বিগ্নতা প্ৰকাশ কৰে। বাঘ আৰু মানুহৰ মাজত সংঘাট দূৰীকৰণৰ ক্ষেত্ৰত ৰাজস্থানৰ কুলহাৰী বেণ্ড পঞ্চায়তে গ্ৰহণ কৰা ব্যৱস্থাৱলীৰ কথাও শ্ৰীমোদীয়ে উল্লেখ কৰে।

প্ৰধানমন্ত্ৰীয়ে এক পেড় মা কে নাম অভিযানৰ অধীনত বহুসংখ্যক লোকে গছ পুলি ৰোপণ কৰা কাৰ্যত আনন্দ প্ৰকাশ কৰে।

শ্ৰীমোদীয়ে সমাগত স্বাধীনতা দিৱসৰ পৰিপ্ৰেক্ষিতত শ্ৰোতাসকলক হৰ ঘৰ তিৰংগা অভিযানত অংশগ্ৰহণ কৰিবলৈ আহ্বান জনায়। জাতীয় পতাকাৰ গৌৰৱ অক্ষুন্ন ৰাখি হৰ ঘৰ তিৰংগা অভিযান সম্প্ৰতি এটা উৎসৱত পৰিণত হৈছে বুলি দাবী কৰে। স্বাধীনতা দিৱসৰ ভাষণত বিভিন্ন বিষয় সামৰি ল'ব পৰাকৈ মাই গভ অথবা নমো এপৰ জৰিয়তে পৰামৰ্শ আগবঢ়াবলৈ প্ৰধানমন্ত্ৰীয়ে দেশবাসীক আজি মন কী বাতৰ জৰিয়তে আহ্বান জনায়।

০০০০০

ছিকিমৰ ৰাজ্যপাল লক্ষ্মণপ্ৰসাদ আচাৰ্যক অসমৰ নতুন ৰাজ্যপাল হিচাপে নিযুক্তি দিয়া হৈছে। শ্ৰী আচাৰ্যক মণিপুৰৰ ৰাজ্যপাল হিচাপেও অতিৰিক্ত দায়িত্ব দিয়া হৈছে। উল্লেখযোগ্য যে লক্ষ্মণপ্ৰসাদ আচাৰ্যই ২০১৫ চনৰ পৰা ২০২৩ চনলৈ উত্তৰপ্ৰদেশ বিধানসভাৰ জনপ্ৰতিনিধি হিচাপে সেৱা আগবঢ়াইছিল। ইফালে ৰাজ্যৰ বৰ্তমানৰ ৰাজ্যপাল গুলাব চান্দ কাটাৰিয়াক পঞ্জাৱৰ ৰাজ্যপাল হিচাপে নিযুক্তি দিয়াৰ লগতে কেন্দ্ৰীয় শাসিত অঞ্চল চণ্ডীগড়ৰ প্ৰশাসক হিচাপে নিযুক্তি দিয়া হৈছে।

আনহাতে, অসমৰ প্ৰাক্তন লোকসভা সাংসদ ৰমেন ডেকাক ছত্তিশগড়ৰ ৰাজ্যপাল হিচাপে নিযুক্তি দিয়া হৈছে। উল্লেখযোগ্য যে, ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে বিভিন্ন ৰাজ্যৰ নতুন ৰাজ্যপালসকলক নিযুক্তি দিছে।

০০০০০

দেশভক্ত তৰুণৰাম ফুকনৰ ৮৫ সংখ্যক মৃত্যু বাৰ্ষিকী উপলক্ষে আজি ৰাজ্যজুৰি দেশভক্তি দিৱস পালন কৰা হয়। এই উপলক্ষে গুৱাহাটীৰ দেশভক্ত তৰুণৰাম ফুকন উদ্যানত ৰাজ্য চৰকাৰৰ উদ্যোগত আজি এক শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰা হয়। ইয়াৰ লগত সংগতি ৰাখি জনতা ভৱনৰ সভাকক্ষত আয়োজিত এখন মুকলি সভাত ৰাজ্য চৰকাৰৰ তথ্য আৰু জনসংযোগ বিভাগৰ মন্ত্ৰী পীযুষ হাজৰিকা মুখ্য অতিথি হিচাপে উপস্থিত থাকে। উল্লেখযোগ্য যে ২০২১ চনৰ পৰা কেবিনেট বৈঠকৰ সিদ্ধান্ত অনুসৰি আজিৰ দিনটোত সমগ্ৰ ৰাজ্যতে দেশভক্তি দিৱস হিচাপে পালন কৰি অহা হৈছে।

তামুলপুৰৰ আয়ুক্ত কাৰ্যালয় সভাকক্ষত আজি দেশভক্তি দিৱস উদযাপন কৰা হয়। কাৰ্যসূচীৰ আৰম্ভণিতে দেশভক্ত তৰুণৰাম ফুকনৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন আৰু মাল্যাৰ্পণ কৰা হয়। ইয়াৰ পাছতে জিলাখনৰ স্বাধীনতা সংগ্ৰামীসকলৰ পৰিয়ালৰ সদস্যবৃন্দক সম্বৰ্দ্ধনা জনোৱা হয়।

দৰং জিলা প্ৰশাসনৰ উদ্যোগতো আজি জিলা তথ্য আৰু জনসংযোগ বিষয়াৰ কাৰ্যালয়ৰ সহযোগত দেশভক্ত তৰুণৰাম ফুকনৰ মৃত্যু তিথি উপলক্ষে দেশভক্তি দিৱস পালন কৰা হয়।

যোৰহাট জিলা প্ৰশাসনৰ উদ্যোগত আৰু জিলা তথ্য আৰু জনসংযোগ বিষয়াৰ কাৰ্যালয়ৰ সহযোগত আৱৰ্ত্ত ভৱনৰ সভাকক্ষত দেশভক্ত তৰুণৰাম ফুকনৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰি শ্ৰদ্ধা নিবেদন কৰা হয়। জিলাখনৰ আৰক্ষী প্ৰশাসনেও দেশভক্তি দিৱস পালন কৰি নেতাগৰাকীক শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে।

গোৱালপাৰা জিলা প্ৰশাসনৰ উদ্যোগত জিলা আয়ুক্তৰ কাৰ্যালয় সভাকক্ষত দেশভক্তি দিৱস পালন কৰা হয়। এই উপলক্ষে দেশভক্ত তৰুণৰাম ফুকনৰ প্ৰতিচ্ছবিত প্ৰজ্বলন কৰাৰ লগতে এখন স্মৃতিচাৰণ সভাও অনুষ্ঠিত কৰা হয়।

কাৰ্বি আংলং জিলা প্ৰশাসনৰ উদ্যোগতো আজি ডিফু ফাৰ্মাৰ গ্ৰোথ চেণ্টাৰত অনুষ্ঠিত দেশভক্তি দিৱসৰ কাৰ্যসূচীত তৰুণৰাম ফুকনৰ জীৱন আৰু কৰ্মৰাজি সন্দৰ্ভত আলোকপাত কৰা হয়।

চিৰাং জিলাৰ তথ্য আৰু জনসংযোগ বিভাগৰ উদ্যোগত তথা জিলা প্ৰশাসনৰ সহযোগত আয়ুক্তৰ কাৰ্যালয় সভাকক্ষত দেশভক্তি দিৱস পালন কৰা হয়।

তিনিচুকীয়া জিলাৰ জিলা আয়ুক্তৰ কাৰ্যালয়ৰ সভাকক্ষত অনুষ্ঠিত দেশভক্তি দিৱসত মুখ্য অতিথি হিচাপে উপস্থিত থাকি মন্ত্ৰী সঞ্জয় কিষাণে নতুন প্ৰজন্মক তৰুণৰাম ফুকনৰ জীৱনৰ কাহিনীৰে উদ্বুদ্ধ হৈ দেশৰ হকে আত্মনিয়োগ কৰিবলৈ আহ্বান জনায়।

শোণিতপুৰ জিলা প্ৰশাসনৰ উদ্যোগত তথা জিলা তথ্য আৰু জনসংযোগ বিভাগৰ সহযোগত আজি দেশভক্তি দিৱস উপলক্ষে জিলা আয়ুক্তৰ কাৰ্যালয় প্ৰাঙ্গনত শ্ৰদ্ধাঞ্জলি তৰ্পণ কাৰ্যসূচী উদযাপন কৰা হয়।

কোকৰাঝাৰ জিলাৰ বিজ্ঞান মহাবিদ্যালয় প্ৰেক্ষাগৃহতো আজি জিলা প্ৰশাসনৰ উদ্যোগত দেশভক্ত তৰুণৰাম ফুকনৰ মৃত্যুতিথিৰ দিনটো দেশভক্তি দিৱস হিচাপে পালন কৰা হয়।

মৰিগাঁও জিলা আয়ুক্তৰ কাৰ্যালয়তো ছাত্ৰ-ছাত্ৰী আৰু আয়ুক্তৰ কাৰ্যালয়ৰ কৰ্মচাৰীসকলৰ উপস্থিতিত দেশভক্তি দিৱস পালন কৰা হয়। সভাত এই উপলক্ষে আয়োজিত ৰচনা প্ৰতিযোগিতাত বিজয়ীসকলক বঁটা বিতৰণ কৰা হয়।

বৰপেটা জিলা প্ৰশাসনৰ উদ্যোগতো আজি বৰপেটা মহাবিদ্যালয়ত দেশভক্তি দিৱস পালন কৰা হয়।

চৰাইদেউ জিলাত অনুষ্ঠিত দেশভক্তি দিৱসৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰি মন্ত্ৰী যোগেন মহনে অংশগ্ৰহণ কৰি স্বাধীনতা সংগ্ৰামী দেশভক্ত তৰুণৰাম ফুকনৰ অৱদানৰ বিষয়ে শ্ৰদ্ধাৰে সোঁৱৰণ কৰে। লখিমপুৰ জিলা প্ৰশাসনৰ উদ্যোগতো আজি লখিমপুৰ আৱৰ্ত্ত ভৱনৰ সভাকক্ষত দেশভক্তি দিৱস পালন কৰা হয়।

ooooo

নিটি আয়োগৰ বিশেষ কাৰ্যসূচী সম্পূৰ্ণতা অভিযানৰ অধীনত অসমৰ কেইবাখনো জিলাত কাৰ্যসূচী অব্যাহত আছে। এই উপলক্ষে ৰাজ্যৰ বিভিন্ন জিলাত স্বাস্থ্য আৰু কৃষি বিভাগে বিভিন্ন সজাগতামূলক কাৰ্যসূচী গ্ৰহণ কৰিছে। সম্পূৰ্ণতা অভিযানৰ অধীনত অভিলাষী জিলা আৰু উন্নয়ন খণ্ডসমূহত মহিলা আৰু শিশুৰ স্বাস্থ্য আৰু পৰিপুষ্টিৰ দিশটো উন্নত কৰাৰ বাবে লক্ষ্য লোৱা হৈছে। ইয়াৰ অংশ হিচাপে মূলতঃ প্ৰথম ৩ মাহতে পঞ্জীয়নভুক্ত প্ৰসূতিৰ সংখ্যা বৃদ্ধিৰ পদক্ষেপ লোৱা হৈছে। তদুপৰি সংহত শিশু বিকাশ সেৱাৰ অধীনত প্ৰসূতিৰ পৰিপূৰক খাদ্য যোগান, শিশুক মাতৃ দুগ্ধপান কৰোৱাৰ প্ৰতি সজাগতা সৃষ্টিৰ দ্বাৰা শিশুৰ সম্পূৰ্ণ ৰোগ প্ৰতিৰোধ ক্ষমতাৰ বৃদ্ধিৰ লক্ষ্য লোৱা হৈছে। সম্প্ৰতি বান ক্ষতিগ্ৰস্ত অঞ্চলসমূহতো প্ৰসূতি আৰু শিশুৰ স্বাস্থ্য ৰক্ষাৰ বাবে এই অভিযানৰ অধীনত ব্যৱস্থা অব্যাহত ৰখা হৈছে। ইপিনে, চৰকাৰে ২০১৫ চনতে কৃষকৰ বাবে আৰম্ভ কৰা ভূমি স্বাস্থ্য কাৰ্ডৰ যোগেদি মাটিৰ নমুনা সংগ্ৰহৰ হাৰ, প্ৰতিটো খণ্ডত মধুমেহ আৰু উচ্চ ৰক্তচাপজনিত ৰোগীসকলক চিনাক্তকৰণৰ হাৰ আৰু একোটা উন্নয়ন খণ্ডত থকা আত্মসহায়ক গোটৰ বিপৰীতে পুঁজি লাভ কৰি থকা গোটৰ হাৰ বৃদ্ধিৰ পদক্ষেপ লোৱা হৈছে। একেদৰে বিদ্যুৎ যোগান থকা মাধ্যমিক পৰ্যায়ৰ বিদ্যালয়ৰ হাৰ তথা পাঠ্যক্ৰম আৰম্ভ হোৱাৰ এমাহৰ ভিতৰতে পাঠ্যপুথি বিতৰণৰ হাৰ বৃদ্ধি কৰাৰো লক্ষ্য লোৱা হৈছে। ৩ মাহজোৰা সম্পূৰ্ণতা অভিযানৰ অংশ হিচাপে নিৰ্বাচিত জনপ্ৰতিনিধিৰ লগতে জিলা তথা খণ্ড বিষয়াসকলে গ্ৰাম সভা, নাটক, পুষ্টিকৰ আহাৰ মেলা, স্বাস্থ্য শিবিৰ, প্ৰদৰ্শনী, সজাগতা সভা আৰু সমদল আদি বিভিন্ন কাৰ্যসূচীৰ আয়োজন কৰিছে।

ooooo

ভাৰতৰ মনু ভাকৰে মহিলাৰ দহ মিটাৰ এয়াৰ পিষ্টল শাখাত ব্ৰঞ্জৰ পদক লাভ কৰিবলৈ সমৰ্থ হৈছে। পেৰিছ অলিম্পিকত এইটো ভাৰতৰ প্ৰথম পদক। দহ মিটাৰ এয়াৰ পিষ্টলৰ ফাইনেল ইভেণ্টত ২২১ পইণ্ট লাভ কৰি ব্ৰঞ্জৰ পদক লাভ কৰা মনু ভাকৰ অলিম্পিকত পদক লাভ কৰা প্ৰথম ভাৰতীয় মহিলা শ্বুটাৰ। আনহাতে, পুৰুষৰ ১০ মিটাৰ এয়াৰ ৰাইফল শাখাত অৰ্জুন বাবুতাই ফাইনেলত নিজৰ স্থান সুনিশ্চিত কৰিছে।

ইফালে মহিলাৰ একক ইভেণ্টত ছুইডেনৰ ক্ৰিষ্টিনা কলবাৰ্গৰ বিৰুদ্ধে ভাৰতীয় পেডেলাৰ শ্ৰীজা আকুলাই ৬৪ ৰাউণ্ডত জয়লাভ কৰি পৰৱৰ্তী ৰাউণ্ডলৈ অগ্ৰগতি লাভ কৰে।

ooooo

মহিলাৰ এছিয়া কাপ টি টুৱেণ্টিৰ ফাইনেলত ভাৰতৰ বিৰুদ্ধে শ্ৰীলংকাই ৮ উইকেটত জয়লাভ কৰিছে। প্ৰথমে বেট ধৰি ভাৰতে নিৰ্ধাৰিত ২০ অভাৰত ৬ টা উইকেট হেৰুৱাই ১৬৫ ৰাণ কৰিবলৈ সমৰ্থ হয়। প্ৰত্যুত্তৰত গৃহদল শ্ৰীলংকাই ১৬৬ ৰাণৰ বিজয় লক্ষ্য অনুসৰণ কৰি ১৮ অভাৰ 4 টা বলত দুটা উইকেট হেৰুৱাই ১৬৭ ৰাণ কৰিবলৈ সমৰ্থ হয়।

ooooo

অসমৰ বান পৰিস্থিতি সন্দৰ্ভত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক সাক্ষাৎ, কেন্দ্ৰীয় বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমনৰ লোকসভাত ২০২৪-২৫ বিত্তীয় বৰ্ষৰ সাধাৰণ বাজেট দাখিল, চৰাইদেউ মৈদাম ক্ষেত্ৰক ইউনেস্ক'ৰ বিশ্ব ঐতিহ্য ক্ষেত্ৰৰূপে ঘোষণা, ফ্ৰান্সত পেৰিছ অলিম্পিক ২০২৪ আৰম্ভ আদিকে ধৰি কেইবাটাও গুৰুত্বপূৰ্ণ খবৰ বিগত সপ্তাহৰ আঞ্চলিক বাতৰিত স্থান লাভ কৰে।

oooo

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই যোৱা সোমবাৰে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক সাক্ষাৎ কৰি ৰাজ্যৰ বান পৰিস্থিতি সন্দৰ্ভত বৈঠকত মিলিত হয়। বানাক্ৰান্তসকলে সন্মুখীন হোৱা প্ৰত্যাহ্বানসমূহ হ্ৰাস কৰাৰ বাবে ৰাজ্য চৰকাৰে গ্ৰহণ কৰা বিভিন্ন প্ৰচেষ্টাৰ বিষয়েও তেওঁ প্ৰধানমন্ত্ৰীগৰাকীক অৱগত কৰে।

ooooo

অসম লোকসেৱা আয়োগৰ কৃষি উন্নয়ন বিষয়া নিযুক্তি কেলেংকাৰী গোচৰত যোৱা সোমবাৰে বিশেষ ন্যায়াধীশৰ আদালতে ৩২ জন অভিযুক্তক দোষী সাব্যস্ত কৰে। দীৰ্ঘদিন ধৰি চলা বিচাৰ প্ৰক্ৰিয়াৰ অন্তত আদালতে আয়োগৰ প্ৰাক্তন অধ্যক্ষ ৰাকেশ কুমাৰ পালৰ লগতে প্ৰাক্তন দুই সদস্য চামেদুৰ ৰহমান, বসন্ত কুমাৰ দলে আৰু ২৯ জন কৃষি উন্নয়ন বিষয়া পদত নিযুক্তি লাভ কৰা প্ৰাৰ্থীক ধনৰ বিনিময়ত চাকৰি লোৱা বিচাৰত দোষী সাব্যস্ত কৰে। আনহাতে তথ্য প্ৰমাণৰ অভাৱত ১১ জন অভিযুক্তক আদালতে দোষমুক্ত হিচাপে ঘোষণা কৰে।

০০০০০০

কেন্দ্ৰীয় বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমনে যোৱা মঙলবাৰে লোকসভাত ২০২৪-২৫ বিত্তীয় বৰ্ষৰ সাধাৰণ বাজেট দাখিল কৰে। এই বাজেটত সকলোৰে বাবে সুযোগ সৃষ্টিৰ উদ্দেশ্যে ৯টা অগ্ৰাধিকাৰৰ কথা উল্লেখ কৰা হৈছে। এই অগ্ৰাধিকাৰসমূহ হৈছে - উৎপাদনশীলতা আৰু কৃষিৰ স্থিতিস্থাপকতা, কৰ্ম সংস্থাপন আৰু দক্ষতাৰ বিকাশ, সৰ্বাত্মক মানৱ সম্পদ উন্নয়ন আৰু সামাজিক ন্যায়, নিৰ্মাণ আৰু সেৱা, নগৰ উন্নয়ন, শক্তি সুৰক্ষা, আন্তঃগাঁথনি, উদ্ভাৱন, গৱেষণা আৰু উন্নয়ন তথা পৰৱৰ্তী প্ৰজন্মৰ সংস্কাৰ।

বাজেট দাখিল কৰি বিত্তমন্ত্ৰীগৰাকীয়ে কৃষি, ক্ষুদ্ৰ, লঘু আৰু মজলীয়া উদ্যোগ, নিৰ্মাণ তথা আন্তঃগাঁথনি খণ্ডৰ বাবে ভালেমান  পদক্ষেপৰ কথা ঘোষণা কৰে। শ্ৰীমতী সীতাৰমনে  প্ৰধানমন্ত্ৰীৰ কৰ্ম সংস্থাপন আৰু দক্ষতা বিকাশ পেকেজৰ বিষয়ে ঘোষণা কৰে।  প্ৰথমখন আঁচনিৰ অধীনত সকলো আনুষ্ঠানিক খণ্ডৰ কৰ্ম শক্তি হিচাপে যোগদান কৰা সকলো নতুন ব্যক্তিক এমাহৰ দৰমহা প্ৰদান কৰা হ'ব। দ্বিতীয়খন আঁচনিৰ জৰিয়তে নিৰ্মাণ খণ্ডত কৰ্ম সংস্থাপন সৃষ্টি কৰা হ'ব আৰু তৃতীয়খন আঁচনিৰ জৰিয়তে নিয়োগকৰ্তাসকলক সহায় আগবঢ়োৱা হ'ব। কেন্দ্ৰীয় বিত্তমন্ত্ৰীগৰাকীয়ে কয় যে দেশত শক্তিশালী আন্তঃগাঁথনি গঢ়ি তোলাৰ বাবে যথেষ্ট বিনিয়োগ কৰা হৈছে। আন্তঃগাঁথনি উন্নয়নৰ বাবে মূলধনী ব্যয়ৰ বাবদ ১১ লাখ কোটিৰো অধিক টকা আবণ্টন দিয়া হৈছে বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে।

০০০০০০০০০

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই যোৱা বুধবাৰে নতুন দিল্লীত কেন্দ্ৰীয় বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমণৰ সৈতে এখন বৈঠকত মিলিত হয়। এই বৈঠকত মুখ্যমন্ত্ৰীগৰাকীয়ে বিকশিত ভাৰতৰ বাজেট আগবঢ়োৱাৰ বাবে কেন্দ্ৰীয় মন্ত্ৰীগৰাকীক আন্তৰিক শলাগ জ্ঞাপন কৰে।

একেদিনাই মুখ্যমন্ত্ৰী শৰ্মাই কেন্দ্ৰীয় শক্তি, গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা বিভাগৰ মন্ত্ৰী মনোহৰলাল খট্টৰৰ সৈতে আন এখন বৈঠকত মিলিত হয়। এই বৈঠকত ৰাজ্যৰ সকলো অঞ্চলতে বিদ্যুতৰ উপলব্ধতা সুনিশ্চিত কৰা তথা গ্ৰাহক, বিতৰক আৰু উৎপাদকসকল উপকৃত হোৱাকৈ শক্তি খণ্ডৰ সংস্কাৰৰ দিশসমূহ আলোচনা কৰা হয়।

০০০০০০০০

ইউনেস্ক'ৱে যোৱা শুকুৰবাৰে চৰাইদেউ মৈদাম ক্ষেত্ৰক বিশ্ব ঐতিহ্য ক্ষেত্ৰৰূপে ঘোষণা কৰে। এই ঘোষণাৰ লগে লগে সাংস্কৃতিক শ্ৰেণীত মৈদাম ক্ষেত্ৰখন উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰথমখন বিশ্ব ঐতিহ্য ক্ষেত্ৰ আৰু ভাৰতবৰ্ষৰ ৪৩ সংখ্যক বিশ্ব ঐতিহ্য ক্ষেত্ৰ হিচাপে চিহ্নিত হৈছে।

০০০০০০

পেৰিছ অলিম্পিক ২০২৪, যোৱা শুকুৰবাৰৰ নিশাৰে পৰা পৰা ফ্ৰান্সত আৰম্ভ হৈছে। উদ্বোধনী অনুষ্ঠানটো বিশ্বৰ অগণন দৰ্শকে উপভোগ কৰে। ফ্ৰান্সৰ ৰাষ্ট্ৰপতি ইমানুৱেল মেক্ৰ'নে পেৰিছৰ চেইন নদীত প্ৰায় ৭ হাজাৰ খেলুৱৈয়ে নাৱেৰে পেৰেড কৰা এটা অগতানুগতিক অনুষ্ঠানত পেৰিছ অলিম্পিক গেমছ ২০২৪ মুকলি হোৱা বুলি ঘোষণা কৰে। মুলন ৰুজৰ ৮০ গৰাকী শিল্পীয়ে গোলাপী ৰঙৰ সাজ-পোছাকত ১৮২০ চনৰ পৰা প্ৰচলিত প্ৰখ্যাত নৃত্য পৰিৱেশন কৰে।

০০০০০

সমাপ্ত